জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২৪৯/২০২২**

## বিশ্ব বেংকৰ শীৰ্ষ বিষয়াৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক
## ‘ষ্টেট পাব্লিক প্ৰক্ৰিউৰমেণ্ট প’ৰ্টেল’ আনুষ্ঠানিকভাৱে মুকলি মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ২২ আগষ্ট ঃ** বিশ্ব বেংকৰ দক্ষিণ এছিয়া মণ্ডলৰ উপাধ্যক্ষ মাৰ্টিন ৰেইজাৰ আৰু বেংকটোৰ ভাৰতস্থ  কাউণ্ট্ৰী ডাইৰেক্টৰ আগষ্টে টান’ ক’ৱামেৰ নেতৃত্ব অহা এটা শীৰ্ষ প্ৰতিনিধি দলে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক তেওঁৰ জনতা ভৱনস্থিত সভাকক্ষত সাক্ষাৎ কৰি এক বৈঠকত মিলিত হয়। বৈঠকত ৰাজ্যখনত বিশ্ববেংকৰ বহিঃসাহায্যপ্ৰাপ্ত পুঁজিৰে ৰূপায়ণ হৈ থকা বিভিন্ন প্ৰকল্প আৰু ভৱিষ্যতে ৰূপায়ণ কৰিবলগীয়া প্ৰকল্পসমূহৰ বিষয়ে বিস্তৃত আলোচনা কৰা হয়।

এই বৈঠকত নাগৰিককেন্দ্ৰিক সেৱা, অসম আভ্যন্তৰীণ পৰিৱহণ প্ৰকল্পকে ধৰি কেইবাটাও প্ৰকল্পৰ অগ্ৰগতি সম্পৰ্কত পৰ্যালোচনা কৰা হয়। তদুপৰি অসমৰ ভৱিষ্যতৰ সামগ্ৰিক উন্নয়ন ক্ষিপ্ৰ কৰাৰ উদ্দেশ্যৰে বিশ্ব বেংকৰ অৰ্থ সাহায্যৰে ৰূপায়িত হ’বলগীয়া প্ৰকল্পসমূহৰ বিষয়েও বৈঠকত সবিশেষ আলোচনা কৰা হয়। ৰাজ্য চৰকাৰৰ লগতে ভাৰত চৰকাৰৰ বিত্ত বিভাগেও জনোৱা অনুৰোধৰ পৰিপ্ৰেক্ষিতত অসমৰ বিকাশৰ সম্ভাৱনীয়তা, জল পৰিবহণৰ আন্তঃগাঁথনিৰ উন্নয়ন আৰু স্বাস্থ্য খণ্ডৰ বিকাশ সাধনৰ লক্ষ্যৰে এই প্ৰকল্পসমূহ ৰূপায়িত কৰা হ’ব। প্ৰস্তাৱিত এই প্ৰকল্পসমূহৰ জৰিয়তে বাণিজ্যিক আৰু বিনিয়োগৰ মাত্ৰা বৃদ্ধিৰ লগতে কৃষি, পৰ্যটন আৰু ল’জিষ্টিক খণ্ডৰ বিকাশ আৰু নিয়োগৰ সুবিধা সৃষ্টিৰে ৰাজ্যখনে উন্নয়নৰ দিশত আগুৱাই যাবলৈ সক্ষম হ’ব বুলি আশা কৰা হৈছে। বৈঠকত মুখ্যমন্ত্ৰীয়ে প্ৰকল্পসমূহৰ খৰতকীয়া ৰূপায়ণৰ ওপৰত গুৰুত্ব আৰোপ কৰে যাতে ৰাজ্যখনে উন্নয়নৰ দিশত এক নতুন মাত্ৰা লাভ কৰে।

আজিৰ এই বৈঠকতে মুখ্যমন্ত্ৰী ড° শৰ্মাই ‘ষ্টেট পাব্লিক প্ৰক্ৰিউৰমেণ্ট প’ৰ্টেল’ নামৰ এটা প’ৰ্টেলো আনুষ্ঠানিকভাৱে মুকলি কৰে। ৰাজহুৱা ক্ৰয় ব্যৱস্থাটোলৈ এক স্বচ্ছতা অনাৰ লগতে জনসাধাৰণে যাতে এটা স্থানৰ পৰাই ক্ৰয় সম্বন্ধীয় সকলো তথ্য লাভ কৰিব পাৰে সেই উদ্দেশ্যে এই প’ৰ্টেলটো মুকলি কৰা হৈছে। উল্লেখ্য যে এনে ধৰণৰ প’ৰ্টেল ব্যৱস্থাৰে সামৰি লোৱাৰ ক্ষেত্ৰত অসম হৈছে দেশৰ দ্বিতীয়খন ৰাজ্য। মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰৰ কাম-কাজত সম্পূৰ্ণ স্বচ্ছতা অনাৰ দিশত ই এক মাইলৰ খুঁটি হিচাপে পৰিগণিত হ’ব। বৈঠকত বিশ্ব বেংকৰ শীৰ্ষ বিষয়াসকলে চৰকাৰী কাৰ্যপ্ৰণালী ডিজিটেল মাধ্যমেৰে সম্পাদনৰ ক্ষেত্ৰত অসম চৰকাৰে লোৱা ব্যৱস্থাৱলীৰ প্ৰশংসা কৰে ।

আজিৰ এই বৈঠকত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, সাংসদ তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব পবিত্ৰ মাৰ্ঘেৰিটা, অতিৰিক্ত মুখ্য সচিবদ্বয় পৱন কুমাৰ বৰঠাকুৰ, ৰবিশংকৰ প্ৰসাদ, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহাকে ধৰি বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়া তথা বিশ্ব বেংকৰ কেইবাগৰাকী বিষয়া উপস্থিত থাকে।

**নিঃকুঃদাঃ**
**২২/০৮/২০২২**